

৭.৭ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

ক) সমাক্ষৰ লোপ কাক বোলে ?

খ) অনুনাসিকীভৱন কি ?

গ) বাক্যগত সাদৃশ্য কাক বোলে ?

প্ৰশ্ন ২ ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক—

ক) মহাপ্ৰাণ ধ্বনি অল্পপ্ৰাণ ধ্বনিলৈ পৰিৱৰ্তিত হোৱাকে অল্পপ্ৰাণীভৱন বোলে।

খ) উচ্চাৰণৰ সৰলীকৰণৰ বাবে যুক্ত ধ্বনিৰ মাজত এটা স্বৰধ্বনি সুমুৱাই সংযুক্ত ব্যঞ্জনধ্বনিটোক দুভাগ কৰা হয় আৰু তাকে আগম বোলে।

চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ লোপ মানে কি ? আলোচনা কৰক।

প্ৰশ্ন ২ ঃ চমুটোকা লিখক—

ক) সমীভৱন খ) বিষমীভৱন

গ) সাদৃশ্য ঘ) আগম

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ভাষাৰ আভ্যন্তৰীণ পৰিৱৰ্তন কেনেদৰে হয় আৰু ইয়াৰ প্ৰক্ৰিয়াসমূহ কি কি ?

প্ৰশ্ন ২ ঃ আভ্যন্তৰীণ পৰিৱৰ্তনৰ প্ৰক্ৰিয়াসমূহৰ সহায়ত ভাষাৰ কেনেদৰে পৰিৱৰ্তন হয় উদাহৰণসহ আলোচনা কৰক।

*** ***** ***